Dailyassam.com

# গোট-২
## চতুৰ্থ অধ্যায়

# মানৱ বিকাশ
# (Human Development)

তোমালোকৰ বাবে 'বৃদ্ধি' আৰু 'বিকাশ', এই শব্দ দুটা নতুন নহয়। চাৰিওফালে দৃষ্টিনিক্ষেপ কৰা, তোমালোকৰ দৃষ্টিৰ আৱৰ্ত্তত থকা প্ৰায় সকলোবোৰ বস্তুৰে (আৰু অন্য বহুতো আছে, যিবোৰ সাধাৰণতে দৃষ্টি গোচৰ নহয়) বৃদ্ধি আৰু বিকাশ হয়। হয়তো এইবোৰ গছগছনি, মহানগৰ, ধাৰণা, ৰাষ্ট্ৰ, সম্বন্ধ অথবা তুমি নিজেও হ'ব পাৰা! ইয়াৰ দ্বাৰা কি বুজি পালা?

> বৃদ্ধি আৰু বিকাশ বুলিলে এটাই অৰ্থ হ'বনে?
> দুয়োটাই ইটোৱে সিটোৰ সহচৰ নেকি?

এই অধ্যায়টিত, মানব বিকাশৰ ধাৰণাৰ ওপৰত বৰ্ণনা কৰা হ'ব, কাৰণ ৰাষ্ট্ৰ আৰু জনসাধাৰণৰ লগত ই জড়িত হৈ আছে।

**বৃদ্ধি আৰু বিকাশ (Growth and Development) ঃ**


বৃদ্ধি আৰু বিকাশ, দুয়োটাই, নিৰ্দিষ্ট সময় ব্যাপি সাধিত হৈ থকা পৰিবৰ্ত্তন খিনিক উনুকিয়ায়। পাৰ্থক্য ইমানে যে, বৃদ্ধি পৰিমানবাচক আৰু মূল্য নিৰপেক্ষ, ইয়াৰ হয়তো ধণাত্মক বা ঋণাত্মক চিহ্ন থাকিব। ইয়াৰ অৰ্থ হ'ল, হয়তো পৰিবৰ্ত্তনখিনি ইতিবাচক (বৃদ্ধি হোৱা বুজায়) নতুবা ঋণাত্মক (নিম্নগামী সূচক), এই দুটাৰ মাজত এটা। বিকাশৰ অৰ্থ গুণগত পৰিবৰ্ত্তন, আৰু ইয়াৰ সদায় এক ইতিবাচক মূল্য থাকে। অৰ্থাৎ চলিত হৈ থকা অবস্থাখিনিৰ ওপৰিও অথবা বৃদ্ধিৰ অবিহনে বিকাশ সাধন নহয়। ইতিবাচক বৃদ্ধিৰ লগে লগে সদায় বিকাশৰ সংঘটন নহ'বও পাৰে। গুণগত ইতিবাচক পৰিবৰ্ত্তনৰ দ্বাৰা বিকাশ হয়।

উদাহৰণ স্বৰূপে, যদি এটা সুনিৰ্দিষ্ট সময় সাপেক্ষে মহানগৰ এখনত জনসংখ্যাৰ বৃদ্ধি এক লাখৰ পৰা দুই লাখ হয়গৈ, আমি কব পাৰো যে মহানগৰ খন বৰ্দ্ধিত হৈছে। কিন্তু যদিহে আবাসগৃহ, মৌলিক কৰ্মৰ ব্যবস্থা আৰু অন্যান্য বৈশিষ্টযুক্ত সা-সুবিধাবোৰ পূৰ্বে থকা ধৰণতে থাকি যায়, এনে বৃদ্ধিৰ লগত বিকাশ সঙ্গত নহয়।


বৃদ্ধি আৰু বিকাশৰ মাজত থকা প্ৰভেদৰ কিছুমানৰ উদাহৰণ তোমালোকে ভাবি উলিয়াব পাৰিবানে?

> **ক্ৰিয়াকলাপ (Activity) ঃ**
> 'বিকাশ অবিহনে হোৱা বৃদ্ধি' আৰু 'বৃদ্ধি আৰু বিকাশৰ' বৰ্ণনা থকা, এখন চমু ৰচনা লিখা অথবা কিছুমান সংহতিযুক্ত ছবি অঙ্কন কৰা।

বহু দশক জুৰি কেবল অৰ্থনৈতিক বৃদ্ধিৰ মাপনীৰ দ্বাৰা একোখন দেশৰ বিকাশৰ স্তৰৰ জোখ লোৱা হৈছিল। ইয়াৰ অৰ্থ এয়ে যে যিমানে দেশখনৰ অৰ্থনীতি বৃহত্তৰ হয়, সিমানে বেছি উন্নত বুলি বিবেচনা কৰা হয়। আনকি, যদিও প্ৰকৃততে বহু সংখ্যক নাগৰিকৰ জীবন ধাৰণত পৰিবৰ্তন হোৱাৰ অৰ্থ নবুজায়।



Band Ach June 2004



Band Ach December 2004

তোমালোকে বাৰু জানানে, মহানগৰ এখনৰ ঋণাত্মক বৃদ্ধিও যে ঘটিব পাৰে? চুনামীৰ (tsunami) দ্বাৰা আক্ৰান্ত হোৱা মহানগৰ এখনৰ ছবি দুখনলৈ চোৱা। এখন মহানগৰৰ আকৃতিৰ ঋণাত্মক বৃদ্ধি কেবল প্ৰাকৃতিক দুৰ্যোগৰ কাৰণে ঘটে বুলি ক'ব পাৰিনে?

বিকাশৰ বাবে প্ৰয়োজনীয়তা থকা বিভিন্ন দিশৰ ধাৰণাবোৰ, যেনে, এখন দেশৰ নাগৰিক সকলে উপভোগ কৰা গুণগত জীৱনধাৰা, তেওঁলোকে পোৱা সুযোগ আৰু উপভোগ কৰি থকা স্বাধীনতা আদিৰ কোনো নতুনত্ব নাই।

পোন প্ৰথমতে এনে ধাৰণা আশী দশকৰ শেষৰ ফালে আৰু নব্বৈ দশকৰ আদি ভাগত পৰিষ্কাৰ কৈ প্ৰকাশ পাইছিল। এই সন্দৰ্ভত মেহবুব-উল্-হক্ আৰু অমৰ্ত্য সেন, এই দুয়োগৰাকী দক্ষিণ এচিয়াৰ অৰ্থনীতিবিদৰ কৰ্মৰাশিৰ, উল্লেখৰ প্ৰয়োজন আছে।

মানব বিকাশ সম্পৰ্কীয় মতামতৰ পৰিচিতি ডঃ মেহবুব-উল-হকে ডাঙি ধৰিছিল। ডঃ হকৰ বৰ্ণনা মতে, মানব বিকাশ এনে এক বিকাশ, যিয়ে মানুহে পছন্দ কৰা কাৰ্যৰ পৰিসৰ বঢ়াই তোলাৰ লগতে, তেওঁলোকৰ জীৱন ধাৰণৰ মানও উন্নত কৰে। এই ধাৰণা অনুসৰি মানুহ সৰ্ববিকাশ কেন্দ্ৰ স্বৰূপ, এনে নিৰ্বাচন স্থিৰ নহয়, বৰঞ্চ গতিশীল বিকাশৰ মৌলিক লক্ষ্য এক বিশেষ অৱস্থাৰ সৃষ্টি কৰাত ন্যস্ত থাকে, য'ত মানুহে অৰ্থপূৰ্ণ জীবনধাৰাৰে জীৱন-নিৰ্বাহ কৰিব পাৰে।

এটা অৰ্থপূৰ্ণ জীৱন মানে কেবল দীৰ্ঘ জীবনৰ অৰ্থ প্ৰকাশ নকৰে, ই-হ'ব লাগিব এক উদ্দেশ্য প্ৰণোদিত জীবন। ইয়াৰ দ্বাৰা বুজোৱা হৈছে যে, মানুহ স্বাস্থ্যবান হ'ব লাগিব, প্ৰতিভা বিকশিত কৰিব পৰাকৈ সমৰ্থবান হ'ব লাগিব, সামাজিক জীবন ধাৰাত অংশ গ্ৰহণ কৰিব পৰা হোৱাৰ লগতে লক্ষ্যত উপনীত হ'ব পৰাকৈ মুক্ত মনৰ হব লাগিব।

## তোমালোকে জানানে

ড° মেহবুব-উল-হক্ আৰু প্ৰফেচৰ অৰ্মত্য সেন নলেগলে লগা বন্ধু আছিল আৰু মানব বিকাশ সম্পৰ্কীয় প্ৰাৰম্ভিক খতিয়ান ডাঙি ধৰিবলৈ ডঃ হকৰ অধিনায়কত্বত একেলগে কাম কৰিছিল। দক্ষিণ এচিয়াৰ এই দুয়োগৰাকী অৰ্থনীতিবিদে বিকাশৰ এক বিকল্প ভাবধাৰাৰ যোগান ধৰিবলৈ সমৰ্থবান হৈছিল।

---

অতি দূৰদৰ্শীতা সম্পন্ন আৰু সহানুভূতি সম্পন্ন ব্যক্তি পাকিস্তানৰ অৰ্থনীতিবীদ ডঃ মেহবুব উল্-হক্‌ে ১৯৯০ চনত, 'মানব বিকাশ সূচক'ৰ সৃষ্টি কৰিছিল। তেওঁৰ মতে, বিকাশ হ'ল এক সুদীৰ্ঘ, স্বাস্থ্যসন্মত সম্ভ্ৰম জীবন যাপন কৰিবলৈ যাঁওতে, মানুহৰ পচন্দ সমূহৰ প্ৰসাৰণ হোৱা কাৰ্য। UNDP-য়ে, (United Nations Development Programmes) ১৯৯০ চনৰে পৰা মানব বিকাশৰ বাৰ্ষিক খতিয়ান প্ৰকাশ কৰোতে তেওঁৰ মানব বিকাশৰ মতামতটো ব্যবহাৰ কৰি আহিছে।

---

ড° হকৰ মানসিক নমনীয়তা আৰু বহুনিলগৰ কথা ভাবিব পৰাকৈ থকা সামৰ্থ্যখিনি, তেখেতৰ এটা ভাষণৰ উদাহৰণ দি ব্যাখ্যা কৰিব পৰা যায়, য'ত তেখেতে শ্ব'ৰ (Bernard Shaw) প্ৰসঙ্গ উল্লেখ কৰি কৈছিল, "তোমালোকে থকা বস্তুবোৰকে চোৱা আৰু সোধা কিয়? মই কেতিয়াও নথকা বস্তুবোৰৰ সপোন দেখো, আৰু সোধো, কিয় নাই?"

---

নবেল প্ৰফেচৰ অমৰ্ত্য সেনে, স্বাতন্ত্ৰ্য বৃদ্ধি (অথবা অস্বাতন্ত্ৰ্য নিম্নগামী) হোৱাটোকে, বিকাশৰ মূখ্য উদ্দেশ্য বুলি পতিয়ান গৈছিল। আমোদজনক ভাবে বিকাশ ঘটাবলৈ, বৰ্দ্ধিত স্বাতন্ত্ৰ্যও এক ফলপ্ৰসূ উপায়। সামাজিক আৰু ৰাজনৈতিক প্ৰতিষ্ঠান সমূহৰ কাম-কাজ আৰু স্বাতন্ত্ৰ্য বৃদ্ধি কৰা প্ৰক্ৰিয়াবোৰত, তেখেতৰ কৰ্মই অন্বেষণ কৰে।

---

এনে অৰ্থনীতিবিদ সকলৰ কৰ্মসমূহ পথ প্ৰদৰ্শক আৰু বিকাশৰ বাবে প্ৰযোজ্য যিকোনো আলোচনাৰ কেন্দ্ৰলৈ মানুহক আগবাইঢ়া অনাত সফলতা অৰ্জন কৰিছে।

---

**অৰ্থপূৰ্ণ জীৱন মানে কি?**




Dailyassam.com

**এই সমূহৰ কোনটো এক অৰ্থপূৰ্ণ জীৱন?**



তোমালোকে কোনে বেছি অৰ্থপূৰ্ণ জীৱন নিৰ্বাহ কৰি আছে বুলি ভাবা? কিহে, এটাতকৈ আনটোক বেছি অৰ্থময় কৰি তুলিছে বাৰু। এক সুদীৰ্ঘ আৰু স্বাস্থ্যসন্মত জীৱন নিৰ্বাহ, জ্ঞান অৰ্জন কৰাত সমৰ্থবান হোৱা আৰু যথেষ্ঠ উপায় সহকাৰে এক সম্ভ্ৰম জীৱন যাপন কৰিবলৈ সামৰ্থ্য থকা বিলাকেই হ'ল, মানৱ বিকাশৰ বিভিন্ন প্ৰয়োজনীয় দিশ।

এতেকে সম্পদৰ লভ্যতা, স্বাস্থ্য আৰু শিক্ষাই হ'ল মানৱ বিকাশৰ ব্যাখ্যাৰ পৰিসীমা। এনেবোৰ বিভিন্ন দিশৰ প্ৰত্যেকৰে জোখমাখ লবলৈ, উপযুক্ত সূচকৰ বিকাশ ঘটোৱা হৈছে। তোমালোকে কিছুমান কথা ভাবি উলিয়াব পাৰিবানে?

প্ৰায়েই আনকি, মৌলিক পচন্দ সমূহক ৰূপায়ণ কৰিব লৈও মানুহৰ সামৰ্থ্য আৰু স্বাতন্ত্ৰ্য নাথাকে। হঁয়তো, তেওঁলোকৰ জ্ঞান আহৰণত থকা অসমাৰ্থ্যতা, তেওঁলোকৰ বৈষয়িক নাটনি, সামাজিক ব্যৱধান, প্ৰতিষ্ঠান সমূহৰ যোগ্যতাৰ অভাৱ আৰু অন্যান্য কাৰণৰ বাবে এনে হয়। এইবোৰে তেওঁলোকক স্বাস্থ্যসন্মত জীৱনধাৰা নিৰ্বাহ কৰাত, শিক্ষা লাভ কৰিবলৈ সমৰ্থবান হোৱাত অথবা এক সম্ভ্ৰমপূৰ্ণ জীৱন যাপন কৰোতে লগা সামৰ্থ্যখিনিক, বাধাগ্ৰস্ত কৰি তুলিছে।

সেই হেতুকে, তেওঁলোকৰ পচন্দবোৰক প্ৰসাৰিত কৰিবৰ বাবে, স্বাস্থ্য, শিক্ষা আৰু সম্পদৰ উপলক্ষ্যতাৰ ক্ষেত্ৰ সমূহত মানুহৰ সামৰ্থ্য গঢ়ি তোলা এক প্ৰয়োজনীয় কথা। মানুহৰ যদি এনেবোৰ ক্ষেত্ৰত সামৰ্থ্য নাথাকে, তেতিয়া তেওঁলোকৰ পচন্দবোৰো সীমিত হৈ পৰিব।

উদাহৰণ স্বৰূপে এটা অশিক্ষিত শিশুৱে কেতিয়াও এজন চিকিৎসক হ'বলৈ পচন্দ কৰিব নোৱাৰে, কাৰণ শিক্ষাৰ অভাৱে তেওঁৰ পচন্দক খিনিক সীমিত কৰি ৰাখিছে। একেধৰণে, বেছি ভাগ দুখীয়া জনসাধাৰণে চিকিৎসা বিষয়ক আচৰণৰ নিৰ্বাচন কৰিব নোৱাৰে কাৰণ সম্পদৰ অভাৱে তেওঁলোকৰ পচন্দক সীমিত কৰি তুলিছে।

### আঁচনি (Activity)

আয়, শিক্ষা অথবা স্বাস্থ্য, দুটাৰ মাজৰ এটাৰ ক্ষেত্ৰত থকা সামৰ্থ্য খিনিৰ অভাৱৰ বাবে কেনেদৰে পচন্দ বোৰ সীমিত হৈ পৰে এই কথাখিনি দেখুৱাবলৈ তোমালোকে শ্ৰেণীৰ সহপাঠী সকলোৱে লগত লগ লাগি, এখন পাঁচ মিনিটৰ নাটক সম্পন্ন কৰা।

## মানৱ বিকাশৰ চাৰিটা স্তম্ভ (The Four Pillors of Human Development) ঃ

যেনেদৰে যিকোনো নিৰ্মান কাৰ্যত স্তম্ভৰ সাহায্য থাকে ঠিক তেনেদৰে মানৱ বিকাশৰ ধাৰণাক, সমদৰ্শন (equity), ধাৰণ ক্ষমতা (sustainability), উৎপাদনশীলতা (Productivity) আৰু ক্ষমতা প্ৰদানশীলতাৰ (Empowerment), উপলব্ধিৰ সাহায্য থাকে।

সমদৰ্শনে, প্ৰত্যেক জন ব্যক্তিয়ে সমানভাৱে সুযোগ লাভ কৰাৰ পথ সুগম হোৱাটো বুজায়। লিংগ, প্ৰজাতি আয় আৰু ভাৰতবৰ্ষৰ ক্ষেত্ৰত, জাতি, বৰ্ণ, নিৰ্বিশেষে, মানুহে লাভ কৰা সুযোগবোৰ সমান হ'ব লাগিব। তথাপিতো প্ৰায় সকলোবোৰ সমাজত এনেকুৱা ব্যৱস্থাৰ সফল প্ৰয়োগ হৈ উঠা নাই।

উদাহৰণ স্বৰূপে, যিকোনো দেশতে লক্ষনীয় বিষয় হল যে বিদ্যালয়ত অংশ গ্ৰহণ কৰাৰ পৰা বিৰত হৈ থকা লোকসকল কোন শ্ৰেণী (Group) ভূক্ত। তেতিয়া উচিত পৰিচালনাসহ, এনে আচৰণৰ। কাৰণ সমূহক কি? ভাৰতবৰ্ষত সামাজিক আৰু অৰ্থনৈতিকভাৱে পিচপৰা এক বৃহৎ সংখ্যক মহিলা আৰু পুৰুষৰ বিদ্যালয় লৈ যোৱাৰ পৰা বঞ্চিত আছে। ইয়াৰ দ্বাৰা বুজিব পৰা যায় যে জ্ঞানৰ প্ৰবেশ দ্বাৰ অতিক্ৰম কৰা নাই কাৰণে এওঁলোকৰ পচন্দবোৰ সীমিত হৈ ৰৈছে।

অবিৰত হাৰত সুযোগ প্ৰাপ্তি বৰ্ত্তি থকাটোকে ধাৰণক্ষম বুলিব পাৰি। ধাৰণক্ষম মানৱ বিকাশ হ'লৈ হ'লে, প্ৰত্যেক পিৰিয়ে (প্ৰজন্মই) (generation) সমানে সুযোগ লাভ কৰিব পাৰিব লাগিব। সকলো পৰিবেশ, বিত্ত আৰু মানৱ সম্পদৰ ব্যৱহাৰ কৰি থাকোতে, ভৱিষ্যৎ প্ৰজন্মৰ কথা আগতে চিন্তা কৰিব লাগিব। কিয়নো, যিকোনো এবিধ সম্পদৰ অপব্যৱহাৰে ভৱিষ্যৎ প্ৰজন্মই পাব লগীয়া সুযোগ নাইকীয়া কৰিব পাৰে।

নাবালিকাক বিদ্যালয়লৈ পঠিওৱাৰ প্ৰয়োজনীয়তা হ'ল এটা সুন্দৰ উদাহৰণ। যদি কোনো লোকগোষ্ঠীত, বালিকা সকলক, শিশু অবস্থাত বিদ্যালয়লৈ পঠিওৱাৰ গুৰুত্ব নাথাকে, তেনে শিশুৱে যেতিয়া ডাঙৰ হৈ যুবাকাল পাব, বহুতো সুযোগ হেৰুৱাৰ লগা হ'ব। তেওঁলোকৰ কৰ্মজীৱনৰ পচন্দবোৰ, দাৰুণভাৱে কম পৰিসৰৰ হৈ ৰ'ব আৰু তেওঁলোকৰ জীৱনৰ আন গঢ়গতিৰ ওপৰত ইয়াৰ প্ৰভাৱ বিস্তাৰ হ'ব। সেয়েহে, প্ৰত্যেক প্ৰজন্মই তেওঁলোকৰ ভাৱী প্ৰজন্মৰ বাবে পচন্দ আৰু সুযোগ বোৰ নিশ্চিত কৰিব লাগিব।

Dailyassam.com

উৎপাদনশীলতাৰ অৰ্থই ইয়াত মানব শ্ৰমিকৰ উৎপাদনশীলতা অথবা মানব কৰ্মৰ পৰিপ্ৰেক্ষিতত সিদ্ধ হোৱা উৎপাদনশীলতাৰ কথাকে বুজায়। মানুহৰ সামৰ্থ্যতা খিনিক গঢ় দি, এনে উৎপাদনশীলতা, অবিৰামভাবে সমৃদ্ধ কৰিব পৰা যায়। অবশেষত এইটো প্ৰতিপন্ন কৰিব পাৰি যে মানুহ দেশ এখনৰ প্ৰকৃত সম্পদ। সেয়েহে, তেওঁলোকৰ জ্ঞানৰ বৃদ্ধিৰ প্ৰচেষ্টাৰে অথবা ৰুচিপূৰ্ণ স্বাস্থ্যৰ সা-সুবিধাৰ যোগানৰ দ্বাৰা এক যোগ্যতাপূৰ্ণ ভাল কৰ্মকুশলতাৰ দিশলৈ আগুৱাই নিব পৰাৰ অবকাশ আছে।

**কৰ্ম (Activity)**

তোমালোকৰ ওচৰচুবুৰীয়া শাকপাঁচলি বিক্ৰীদাৰৰ লগত কথা পাতি চোৱা আৰু বিচাৰি উলিওৱা, তেওঁ বিদ্যালয়লৈ গৈ পাইছে নে নাই। তেওঁ বিদ্যালয়ত অংশ গ্ৰহণ কৰাৰ পৰা বিৰত হৈ আছিল নেকি? যদি আছিল, কিয় আছিল? ইয়াৰ পৰা, তেওঁৰ পচন্দসমূহ আৰু তেওঁৰ থাকিবলগীয়া স্বাতন্ত্র্য খিনিৰ বিষয়ে জানিব পাৰিনে? তেওঁৰ লিংগভেদ, জাতি আৰু আয়ৰ বাবে, কেনেদৰে তেওঁৰ সুযোগসমূহ সীমিত হৈ পৰিছিল, তাৰে টোকা লিখা।

ক্ষমতাপ্ৰদান শীলে নিৰ্বাচন কৰিব পৰাকৈ থকা ক্ষমতাৰ কথা বুজায়। বৰ্দ্ধিত স্বাতন্ত্র্য আৰু সামৰ্থ্যই, এনেকুৱা ক্ষমতা অনাব পাৰে। ভাল শাসন প্ৰণালী আৰু মানবমুখী নীতিৰ দ্বাৰা মানুহক ক্ষমতাপ্ৰদান কৰিব পৰা যাব। সামাজিক আৰু অৰ্থনৈতিকভাবে পিছপৰা দল সমূহক ক্ষমতাপ্ৰদান কৰা বিশেষ ভাবে প্ৰয়োজন।

## মানব বিকাশৰ বিচাৰ পদ্ধতি (Approaches to Human Development) ঃ

মানব বিকাশৰ সমসাবোৰ লক্ষ্য কৰাৰ বহুতো পথ আছে। তেনে কিছুমান প্ৰয়োজনীয় পথ হ'ল ঃ (a) আয়ৰ পথ; (b) কল্যাণকৰ পথ; (c) ন্যুনতম প্ৰয়োজনৰ পথ; আৰু (d) কৰ্ম দক্ষতাৰ পথ। (চিএ 4·1)

## মানব বিকাশৰ জোখমাখ (Measuring Human Development) ঃ

দেশসমূহে সম্পাদন কৰি অহা স্বাস্থ্য, শিক্ষা আৰু সম্পদৰ ব্যাখ্যাৰ ওপৰত ভিত্তি কৰি, মানব বিকাশৰ সূচকৰ (HDI) পদমৰ্যদা দিয়া হয়। এনে পদমৰ্যদাকৰণ ঃ— ০-ৰ পৰা ১-ৰ মাজত থকা গণনাৰ ওপৰত নিৰ্ভৰ কৰি কৰে। এনে সূচক একোখন দেশে নথিভূক্ত কৰি থোৱা, মানব বিকাশৰ ক্ষেত্ৰত গুৰুত্ব প্ৰদান কৰা দিশৰ ব্যাখ্যাৰ পৰা অৰ্জন কৰে। জন্মতে থকা জীবনৰ প্ৰত্যাশাক, নিৰ্দেশক হিচাপে নিৰ্বাচন কৰি, স্বাস্থ্য নিৰূপন কৰা হয়। এক উচ্চমানৰ জীবন প্ৰত্যাশাৰ অৰ্থ এয়ে যে মানুহৰ সুদীৰ্ঘ আৰু স্বাস্থ্যসন্মত জীবন যাপন কৰাৰ সুবিধাকন আছে।

প্ৰাপ্তবয়স্কৰ স্বাক্ষৰতাৰ হাৰ আৰু প্ৰত্যক্ষ তালিকাভুক্তিকৰণৰ অনুপাতে, জ্ঞানপথলৈ কৰা প্ৰবেশ চিত্ৰিত কৰে। পঢ়িবলৈ আৰু লিখিবলৈ সামৰ্থ্য থকা প্ৰাপ্তবয়স্কৰ সংখ্যা আৰু বিদ্যালয় সমূহত তালিকাভুক্তিকৰণত থকা শিশুৰ সংখ্যাই কোনো এক নিৰ্দিষ্ট দেশত, জ্ঞানৰ প্ৰবেশ পথ নিৰূপন কৰাটো কিমান সহজ অথবা কিমান কঠিন, সেয়া দেখুৱাই দিয়ে।

ক্ৰয় ক্ষমতাৰ (U.S. dollars) আলম লৈ, সম্পদলৈ থকা প্ৰবেশ পথৰ (access) জোখ মাখ লোৱা হয়।

এই সমূহৰ প্ৰত্যেকৰ মাত্ৰাই (dimension) $^1/_3$ ওজনৰ (weightage) মূল্য বুজায়। এই সকলোবোৰ, বিস্তৃতিৰ ওপৰত আৰোপ কৰা সৰ্বমুঠ ওজনেই হ'ল মানব বিকাশৰ সূচক।

একলৈ, এই গননা কাৰ্য চাপি যোৱাটোকে মানব বিকাশ উচ্চতম স্তৰলৈ উপনীত হোৱাটো বুজায়। সেয়েহে, ০·৯৮৩ গননা যুক্ত হ'লে বহু উচ্চমানৰ আৰু যদিহে ০·২৬৮ গননাযুক্ত হয় তেতিয়া মানব বিকাশৰ স্তৰ বহু নিম্নমানৰ বুলি পৰিগণিত হয়।

মানব বিকাশৰ সূচকে, মানব বিকাশ প্ৰাপ্তিৰ (attainments) নিৰূপন কৰে। মানব বিকাশৰ সফল ক্ষেত্ৰত অঞ্চলবোৰে যিখিনি সাফল্য সম্পাদন কৰে, সেয়া ই প্ৰতিফলিত কৰে। তথাপিতো এয়া বৰ উৎকৃষ্টতা থকা বিশ্বস্ত জোখমাখ নহয়। কাৰণ ইয়াৰ দ্বাৰা বিকাশৰ বিতৰণৰ বিষয়ে একো জানিব পৰা নেযায়।

দৰিদ্ৰতাৰ সূচক, মানব বিকাশৰ সূচকৰ সৈতে জড়িত হৈ আছে। এই সূচকে, মানব বিকাশৰ ক্ষেত্ৰত ঘটিৰ জোখ মাখ দিয়ে।

**■ তালিকা নং ৪.১ ঃ মানৱ বিকাশৰ পথ.**

| | |
|---|---|
| (a) **আয়ৰ উপাগমন** (Income Approach) | মানৱ বিকাশত প্ৰযোজ্য হোৱা, ই এক অতি পুৰণি পথ। মানৱ বিকাশ আয়ৰ লগত সংলগ্ন হৈ থকা দেখিবলৈ পোৱা যায়। ধাৰণাটো হ'ল এনেকুৱা যে, আয়ৰ স্তৰে, এক ব্যক্তিয়ে উপভোগ কৰি থকা স্বাতন্ত্ৰ্যৰ স্তৰক প্ৰতিফলন কৰি দেখুৱায়। আয় উচ্চস্তৰৰ হ'লে, মানৱ বিকাশৰ স্তৰো উচ্চতৰ হয়। |
| (b) **কল্যাণকামী উপাগমন** (Welfare Approach) | এই পথে লক্ষ্য ৰাখে যাতে মানুহ উপকাৰ বা কল্যাণ পাওঁতা হিচাবে, অথবা সকলো উন্নয়নমূলক কামৰ লক্ষ্য কৰিব পৰাৰ পাত্ৰ হয়। এই পথে যুক্তি দৰ্শায় যাতে, শিক্ষা, স্বাস্থ্য, সামাজিক বিষয়ত আৰু জীৱনৰ সুখ স্বাচ্ছন্দ্যদায়ক সুবিধা সমূহৰ বাবে প্ৰযোজনীয় উচ্চ হাৰৰ চৰকাৰী ব্যয় হয়। মানুহ কেৱল পৰোক্ষ গ্ৰহণকাৰী হিচাবে থাকে, বিকাশৰ অংশগ্ৰহণকাৰী নহয়। কল্যাণকৰ কামত, চৰকাৰে বহুলাংশ ব্যয়ৰ দ্বাৰা মানৱ বিকাশৰ স্তৰ বৃদ্ধি কৰাৰ প্ৰতি দায়বদ্ধ হয়। |
| (c) **মৌলিক প্ৰয়োজনীয়তা উপাগমন** (Basic needs Approach) | পোন প্ৰথমে এই পথটোৰ প্ৰস্তাৱ আন্তৰ্জাতিক শ্ৰমিক সংস্থাই (ILO) উত্থাপন কৰিছিল। ছয়টা মৌলিক প্ৰয়োজন যেনে ঃ স্বাস্থ্য, শিক্ষা, খাদ্য, পানীৰ যোগান, স্বাস্থ্যবিধিসন্মত অবস্থাৰ উৎকৰ্ষসাধন আৰু গৃহ নিৰ্মান আদিবোৰৰ চিনাক্তকৰণ হৈছিল। ই, মানুহৰ পচন্দ সমূহৰ প্ৰশ্ন হেয় জ্ঞান কৰে, আৰু সীমা নিৰ্দ্ধাৰণ কৰা বিভাগ সমূহৰ মৌলিক প্ৰয়োজন বোৰৰ বন্দোবস্ত কৰাৰ প্ৰতি, গুৰুত্ব আৰোপ কৰে। |
| (d) **কৰ্মদক্ষতাৰ উপাগমন** (Capability Approach) | প্ৰফেচৰ অমৰ্ত্য সেনৰ সৈতে এই পথ জড়িত হৈ আছে। মানৱ বিকাশৰ সচাঁৰ কাঠি স্বৰূপ স্বাস্থ্য, শিক্ষা আৰু সম্পদৰ প্ৰবেশ-পথ আদি অঞ্চলবোৰতে মানুহৰ কৰ্মদক্ষতা, গঢ়ি তোলাৰ প্ৰয়োজনীয়তা থাকে। |




*চিত্ৰ ৪.৬*

১৯৯০ চনৰ পৰা UNDP যে (United Nations Development Programme) প্ৰত্যেক বছৰে মানৱ বিকাশৰ খতিয়ান, প্ৰকাশ কৰি আহিছে। এনে খতিয়ানে, সকলোবিলাক সদস্য দেশৰ, মানৱ বিকাশৰ স্তৰ অনুসৰি এক পদমৰ্যদামূলক তালিকাৰ যোগান ধৰে। মানৱ বিকাশৰ জোখমাখ লবলৈ UNDP যে ব্যবহাৰ কৰি অহা দুটা প্ৰয়োজনীয় সূচীভুক্ত কৰণ হ'ল ক্ৰমে মানৱ বিকাশ সূচক আৰু মানৱ দৰিদ্ৰতা সূচক।

ই হল এক আয় নথকা জোখ, ৪০ বছৰ বয়সলৈ জীয়াই নথকাৰ সম্ভাবনীয়তা থকা, প্ৰৌঢ় অশিক্ষিতৰ হাৰ, পৰিষ্কাৰ পানীৰ উপলভ্যতা নথকা মানুহৰ সংখ্যা, আৰু প্ৰয়োজনতকৈ কম ওজন থকা সৰু শিশুৰ সংখ্যা আদি কোনো এটা অঞ্চলৰ মানৱ বিকাশত

Dailyassam.com



থকা ঘাটিসমূহ দেখুওৱাৰ ক্ষেত্ৰত, হিচাবত ধৰা হয়। প্ৰায়েই, মানৱ বিকাশৰ সূচকতকৈ, মানৱ দৰিদ্ৰতা সূচকে বেছি তথ্য ব্যক্ত কৰে।

মানৱ বিকাশৰ ক্ষেত্ৰত প্ৰযোজ্য হৈ থকা এই দুয়োবিধ জোখলৈ লখ্য কৰিলে, এখন দেশৰ মানৱ বিকাশৰ অবস্থাৰ নিৰ্ভূল ছবি এখন পাব পাৰি।

মানৱ বিকাশৰ জোখ লোৱা উপায়বোৰ বিশ্বস্তভাৱে সংস্কাৰ কৰা হয় আৰু মানৱ বিকাশৰ বিভিন্ন মৌলবোৰক নতুন উপায়েৰে অধিকৃত কৰি ৰাখিবলৈ গবেষণা কৰা হয়। একোটা নিৰ্দিষ্ট অঞ্চলত, গবেষক সকলোৱে দুৰ্নীতিৰ স্তৰ অথবা ৰাজনৈতিক স্বাতন্ত্ৰ্যৰ মাজৰ যোগসূত্ৰ বিচাৰি পাইছে। ৰাজনৈতিক স্বাতন্ত্ৰ্যৰ সূচক সম্বন্ধে, আনকি আলোচনাও হৈছে আৰু আটাইতকৈ বেছি দুৰ্নীতি পৰায়ণ দেশবোৰক তালিকা ভুক্ত কৰা হৈছে। মানৱ বিকাশৰ স্তৰত থকা, অন্যান্য যোগসূত্ৰৰ বিষয়ে তোমালোকে ভাবি উলিয়াব পাৰিবানে?

> পৃথিৱীৰ ভিতৰতে ভূটান একমাত্ৰ দেশ, যিয়ে 'সামগ্ৰিক জাতীয় সুখ' কাৰ্যত (Gross National Happiness, GNH) পৌৰোহিত্য কৰা বুলি ঘোষণা কৰিছে; যিটোৱে দেশৰ উন্নতিৰ জোখ দিয়ে। পৰিবেশ অথবা ভূটীয়া সকলৰ অন্যান্য সাংস্কৃতিক আৰু আধ্যাত্মিক জীৱনৰ গঢ়গতিত, যাতে কোনো ধৰণৰ অনিষ্টক সম্ভাৱনীয়তা নাথাকে, সেইখিনি লক্ষ্য ৰাখিহে বহু সাৱধানতাৰে—বৈষয়িক উন্নতি আৰু প্ৰযুক্তিৰ বিকাশৰ পথে আগবাঢ়িছে। ই সৰল অৰ্থত ইয়াকে বুজাইছে যে, সুখৰ হানি কৰি বৈষয়িক উন্নতি কেতিয়াও আহিব নোৱাৰে। GNH-য়ে আমাক আধ্যাত্মিক, অবৈষয়িক আৰু বিকাশৰ গুণগত গঢ়গতি থকাটো, ভাবিবলৈ উদগনি দিছে।

## আৰ্ন্তজাতিক ৰিজনি (International Comparison) ঃ

মানৱ বিকাশৰ আৰ্ন্তজাতিক ৰিজনি বৰ আমোদজনক আৰু বিশেষভাৱে লেখত সবলগীয়া বিষয়। মানৱ বিকাশৰ লগত, অঞ্চলটোৰ আকাৰ আৰু জনমূৰি আয়ৰ কোনো প্ৰত্যক্ষ সম্বন্ধ নাথাকে। প্ৰায়েই ক্ষুদ্ৰ দেশবোৰে বৃহত্তম দেশবোৰতকৈ ভাল ভাৱে মানৱৰ বিকাশ ঘটাইছে। একেদৰে মানৱ বিকাশৰ ক্ষেত্ৰত আপেক্ষিকভাৱে দুখীয়া ৰাষ্ট্ৰসমূহে ওচৰুচুবুৰীয়া ধনী ৰাষ্ট্ৰ সমূহতকৈ উচ্চতৰ পদমৰ্যদা লাভ কৰিছে।

উদাহৰণস্বৰূপে, ক্ষুদ্ৰ অৰ্থনীতি থকাৰ পিছতো, শ্ৰীলংকা, ত্ৰিনিডাদ্ আৰু টবাগোৱে মানৱ বিকাশৰ সূচকত, ভাৰতবৰ্ষতকৈ উচ্চতৰ পদমৰ্যাদা লাভ কৰিছে। সেইদৰে ভাৰতবৰ্ষৰ ভিতৰতে, নিম্নতম জনমূৰি আয় থকা স্বত্তেও কেৰেলাই, পাঞ্জাব আৰু গুজৰাটতকৈ, বেছি ভালকৈ মানৱ বিকাশ কাৰ্য সম্পাদন কৰিছে।

মানৱ বিকাশৰ ক্ষেত্ৰত আৰ্জিত সাফল্যাংকৰ ওপৰত ভিত্তি কৰি, দেশসমূহক তিনিটা গোটত শ্ৰেণীভূক্ত কৰা হয়। (তালিকা নং 4.2)

**তালিকা নং ৪.২ ঃ মানৱ বিকাশ বৰ্গীকৰণ বিচাৰৰ নীতি আৰু দেশ**

| মানৱ বিকাশৰ স্তৰ | বিকাশৰ সাফল্যাঙ্ক সূচক | দেশৰ সংখ্যা |
|---|---|---|
| উচ্চ | 08 কৈ অধিক | 57 |
| মধ্যম | 0·5-ৰ পৰা 0·799-ৰ মাজত | 88 |
| নিম্ন | 0·5 কৈ কম | 32 |

*Source : Human Development Report 2005*

## উচ্চ সূচক মূল্য থকা দেশ (Countries with high Index Value) ঃ

উচ্চ মানৱ বিকাশ সূচক সম্পন্ন দেশ সমূহৰ সাফল্যাঙ্ক ০·৮-ৰ ওপৰত থাকে। 2005 চনৰ মানৱ বিকাশৰ খতিয়ান অনুসৰি এনে দলত 57 খন দেশ অন্তভূৰ্ক্ত হৈ আছে। 4.3 নং তালিকা খনে এই গোটভূৰ্ক্ত দেশ বোৰক দেখুৱাইছে।

| ক্ৰমিক নং | দেশ | ক্ৰমিক নং | দেশ |
|---|---|---|---|
| 1 | নৰৱে | 6 | চুইডেন |
| 2 | আইচলেন্ড | 7 | চুইজাৰলেণ্ড |
| 3 | অষ্ট্ৰেলিয়া | 8 | আয়াৰলেণ্ড |
| 4 | লাক্সেম্বাৰ্গ | 9 | বেলজিয়াম |
| 5 | কানাডা | 10 | যুক্তৰাষ্ট্ৰ |

*Source : Human Development Report 2005*

> মানচিত্ৰ এখনত, এই দেশসমূহৰ অৱস্থান নিৰূপন কৰিবলৈ যত্ন কৰা। এই দেশসমূহৰ মাজত অধিক কি বস্তু উমৈহতীয়া হিচাবে আছে, চোৱাছোন? অধিক জানিবলৈ হলে, এই দেশসমূহৰ চৰকাৰি কাৰ্য্যালয়ৰ websites লৈ গৈ বিচাৰি লোৱা।

শিক্ষা আৰু স্বাস্থ্যৰ যত্ন লোৱা, এই দুয়োটাত চৰকাৰী অগ্ৰাধিকাৰ থকা প্ৰয়োজন। উচ্চ মানৱ বিকাশ সম্পন্ন দেশসমূহ হ'ল এনেবোৰ দেশ য'ত সামাজিক বিভাগ সমূহত, বৃহত্তৰ ভাবে ব্যয় কৰি আছে। সু-পৰিচালনা আৰু মানুহৰ লগত কৰা উচ্চতম ব্যয়, এই দুয়োটাই একেলগে এনেবোৰ দেশৰ গোটক, আনবোৰৰ পৰা পৃথক কৰি ৰাখিছে।

দেশৰ আয়ৰ পৰা, এনেবোৰ বিভাগত খৰচ হোৱা শতাংশক, বিচাৰি উলিয়াবলৈ যত্ন কৰা। এইবিলাক দেশত থকা আন কিছুমান সমূহীয়া বৈশিষ্ট্য, তোমালোকে ভাবি উলিয়াব পাৰিবানে?

এনেবোৰ দেশৰ বেছিভাগৰে, পূৰ্বে সাৰ্বভৌম ক্ষমতা থকা কথাটো, তোমালোকে লক্ষ্য কৰিব পাৰিবা। এই দেশ সমূহৰ সামাজিক বৈচিত্ৰ্যৰ পৰ্য্যায় বেছি উচ্চ মানৰ নহয়। উচ্চ মানৱ বিকাশ সাফল্যাংক থকা বেছিভাগ দেশেই ইউৰোপত অৱস্থিত আৰু ঔদ্যোগীকৃত পশ্চিমীয়া পৃথিৱী হিচাবে প্ৰতিনিধিত্ব কৰে। তথাপিতো এক বুজন সংখ্যক অনা ইউৰোপীয় দেশ এই তালিকাভূক্ত হ'বলৈ সমৰ্থবান হৈছে।

## মধ্যমীয়া সূচক মূল্যযুক্ত দেশসমূহ (Countries with Medium Index Value) ঃ

মানৱ বিকাশত মধ্যম স্তৰত উপনীত হোৱা দেশৰ সংখ্যাই আটাইতকৈ বেছি। এই দলত সৰ্বমুঠ ৮৮ খন দেশ আছে। এই সমূহ দেশৰ সৰহসংখ্যকৰেই দ্বিতীয় বিশ্বযুদ্ধৰ পিছৰ সময়ছোৱাত উত্থান ঘটিছে। এই দলত অন্তভূক্ত কিছুমান দেশ পূৰ্বতে ঔপনিবেশিক কবলত আছিল, আনহাতে আন বহু কেইখন দেশ, পূৰ্বৰ সংযুক্ত চোভিয়েট দেশ, ১৯৯০ চনত খণ্ডিত হোৱাৰ পিছত, প্ৰত্যক্ষ হৈছে। এইবিলাক দেশৰ বেছিভাগে, বহু মানৱ উজ্জ্বল নীতি অবলম্বন কৰি আৰু সামাজিক প্ৰভেদ নিম্নগামী কৰি, তেওঁলোকৰ মানৱ বিকাশ সাফল্যাংকৰ উন্নতি সাধন কৰি আছে। উচ্চ মানৱ বিকাশ সাফল্যাংক থকা দেশবোৰতকৈ, এইবোৰ দেশৰ বেছিভাগৰে, উচ্চমাত্ৰাত সামাজিক বৈচিত্ৰ্যতো থকা দেখা পোৱা যায়। এই দলৰ বহু কেইখন দেশে, তেওঁলোকৰ বৰ্ত্তমানৰ ইতিহাসতো, কিছুমান সময় সাপেক্ষে ৰাজনৈতিক অস্থিৰতা আৰু সামাজিক বিদ্ৰোহৰ সম্মুখীন হৈ আহিছে।

Dailyassam.com



# India 126th in UN Human Development Index

By Reporter
New Delhi, 9 November

Observing that water and sanitation are underfinanced compared to military spending in India, a UNDP report has called for adequate funds for such basic amenities so that increased income levels could be successfully translated into human development.

UNDP's Human Development Report 2006, which ranked India 126 globally on Human Development Index, as compared to 127 a year ago, noted that India alone loses 4.5 lakh lives annually to diarrhea, more than any country.

Though the millennium development goal (MDG) of water access has a deadline of 2015, India may take longer to reach there, UNDP Resident Representative Maxine Olson said today.

"The report focuses on water access this year as it cuts across all the MDGs," Olson said, adding that the MDG aimed at enabling each individual to get at least 20 litres of water a day. "India has a higher target of 40 litres a day," she said, referring to the target set by the Union Rural Development Ministry.

The report, which was released by Water Resources Minister Saifuddin Soz, takes a hard look at the failure of irrigation systems in the country.

Olson said that though agriculture has been blamed for consuming 80 per cent of water in India, the beneficiaries of the power subsidies are the rich farmers, while the poor still depend on rains.

The report also notes that water harvesting has been on the retreat in India. It says the rise of canal irrigation and the groundwater revolution have led to neglect of traditional systems. Since the 1960s, the number of tanks, ponds and other surface water bodies has reduced by almost a third, thus reducing groundwater recharge capabilities.

The report favours small scale water harvesting systems and check dams, saying that the efficiency claims offered to advance large scale infrastructure are sometimes overstated.

Speaking at the function, Soz said the Artificial Recharge Council for Groundwater set up recently by the government would go a long way in conserving rain water and recharging groundwater.



Water Resources Minister Saifuddin Soz (right) and Maxine Olson, UNDP Resident Coordinator in India, at the release of Human Development Report, 2006, in New Delhi on Thursday PTI

## GOVT QUESTIONS REPORT

Press Trust of India
New Delhi, 9 November

India, which has been placed 126th in the UNDP Human Development Index, today questioned the ranking, saying comparisons should be between equals.

"Just as you cannot compare Maldives with India, you cannot compare us with countries like Norway, Sweden or Singapore, which are far more developed," Union Minister of Water Resources Saifuddin Soz told reporters here while releasing the UNDP Human Development Report, 2006.

Soz said India had made "spectacular progress" in many fields and it was not necessarily reflected by the index. "The ranking should be on the basis of comparisons between equal countries in terms of size and population," he said, adding UNDP had been comparing big countries like India and China with other smaller countries.

Soz said in future UNDP should think about the ranking system and find new tools to give a more appropriate picture.

The index, which measures achievements in terms of life expectancy, education and adjusted real income, ranked 177 countries with Norway on top and Niger at the bottom.

UNDP Policy Specialist Arunabha Ghosh, however, said the rankings were limited to comparable data. "We do not use absolute numbers but percentage," he said.

মানৱ বিকাশ সূচকত ভাৰতবৰ্ষ, ১২৫ খন দেশত কৈ পিছপৰি থকাৰ কাৰণ কি হ'ব পাৰে বাৰু?

## নিম্ন সূচক মূল্য যুক্ত দেশসমূহ (Countries with Law Index Value) ঃ

সৰ্বমুঠ ৩২ খন দেশৰ, নিম্ন স্তৰৰ মানৱ বিকাশৰ খতিয়ান আছে। এইবিলাকৰ এক বৃজন অংশই হল ক্ষুদ্ৰ দেশ। এনেবোৰ দেশত অসামৰিক যুদ্ধ-বিগ্ৰহ, দুৰ্ভীক্ষ নতুবা বেমাৰৰ উচ্চ সংঘটনৰ ৰূপত, সদায়ে ৰাজনৈতিক বিক্ষোভ আৰু সামাজিক অস্থিৰতা থাকে। সুচিন্তাযুক্ত নীতিৰ জৰিয়তে, এই দলত মানৱ বিকাশৰ প্ৰয়োজনীয় আঁচনিৰ বাস্তৱ ৰূপায়ন কৰাটো অবশ্যই প্ৰয়োজনীয়।

মানৱ বিকাশৰ আন্তৰ্জাতিক তুলনাই, কিছুমান বৰ আমোদজনক ফলাফল দেখুৱাব পাৰে। প্ৰায়েই মানুহে সংস্কৃতিৰ আধাৰত হোৱা নিম্ন স্তৰৰ মানৱ বিকাশক দোষাৰোপ কৰে। উদাহৰণ হিচাবে, 'X' দেশখনৰ মানৱ বিকাশ নিম্নমানৰ, কাৰণ ইয়াত বসবাস কৰা লোক সকলে, 'Y' ধৰ্ম অনুসৰণ কৰে, অথবা 'Z' জনগোষ্ঠীৰ অন্তৰ্গত হৈ থাকে। এনেধৰণৰ উক্তিবোৰে মূল্য নিৰূপনৰ ক্ষেত্ৰত প্ৰায়েই বিপথে পৰিচালিত কৰে।

একোটা নিৰ্দিষ্ট অঞ্চলে কিয়েনো নিম্ন অথবা উচ্চ স্তৰৰ মানৱ বিকাশৰ খতিয়ান ডাঙি ধৰে সেইটো কথা বুজিবলৈ হলে, সামাজিক ক্ষেত্ৰত চৰকাৰী ব্যয়ৰ ধৰণটোনো কেনেকুৱা, এয়া দৃষ্টিগোচৰ হোৱাটো এক প্ৰয়োজনীয় কথা। দেশখনৰ ৰাজনৈতিক পৰিবেশ, আৰু মানুহে লাভ কৰি থকা স্বাতন্ত্ৰ্যৰ পৰিমান ও প্ৰয়োজনীয় কথা। উচ্চস্তৰৰ মানৱ বিকাশ সম্পন্ন দেশ সমূহে সামাজিক বিভাগ সমূহত, বহু বেছি ধন নিয়োজিত কৰে. আৰু সাধাৰণতে ৰাজনৈতিক বিক্ষোভ আৰু অস্থিৰতা আদিৰ পৰা মুক্ত হৈ থাকে। দেশখনৰ সম্পদ বোৰৰ বিতৰনো, বহু পৰিমানে নিৰপেক্ষ।

অন্য হাতে, নিম্নস্তৰৰ মানৱ বিকাশ থকা ঠাই বোৰে, সামাজিক ক্ষেত্ৰ বোৰতকৈ প্ৰতিৰক্ষাত বেছিকৈ খৰচ কৰাৰ বাবে গুৰুত্ব প্ৰদান কৰে। ই, ইয়াকে দেখুৱায় যে এনেবোৰ দেশ, ৰাজনৈতিক অস্থিৰতা থকা অঞ্চলত পৰে আৰু উৰ্দ্ধগামী গুণগত অৰ্থনৈতিক বিকাশৰ দিশে অগ্ৰসৰ হবলৈ মন নকৰে।

## • অনুশীলনী •

1. নিম্নলিখিত চাৰিটা বিকল্পৰ পৰা শুদ্ধ উত্তৰটো বাচি উলিওৱা।

(i) নিম্নলিখিতৰ কোনটোৰ বিকাশৰ আটাইতকৈ ভাল বৰ্ণনা দিয়ে ঃ—

(a) বৰ্দ্ধিত আকাৰে; (b) অবিৰত আকাৰে; (c) গুণগত ধনাত্মক পৰিবৰ্ত্তনে; (d) গুণগত সাধাৰণ পৰিবৰ্ত্তনে।

(ii) নিম্নলিখিত বিদ্বান সকলৰ মাজৰ কোনজনে মানৱ বিকাশৰ ধাৰনাৰ পৰিচিতি দিছিল ঃ—

(a) প্ৰোফেচৰ অমৰ্ত্য সেন; (b) এলেন চি চেম্পল; (c) ডঃ মুহবুব্-উল্-হক্; (c) ৰাট্‌জেল।

(ii) নিম্নলিখিত সমূহৰ মাজৰ কোনখন দেশ, উচ্চ মানব বিকাশ যুক্ত নহয় ঃ—
(a) নৰৱে (b) জাপান (c) আৰ্জেন্টিনা (c) ইজিপ্ত।

**2. ৩০টা মান শব্দেৰে নিম্নলিখিত প্ৰশ্ন সমূহৰ উত্তৰ লিখা।**

(i) মানব বিকাশৰ তিনিটা মৌলিক অঞ্চল কি কি?

(ii) মানব বিকাশৰ চাৰিটা মুখ্য উপাংশৰ নাম লিখা?

(iii) মানব বিকাশৰ সূচকৰ আধাৰত দেশবোৰক কেনেদৰে বৰ্গীকৰণ কৰা হয়?

**3. ১৫০টা শব্দৰ প্ৰয়োগ কৰি নিম্নলিখিত প্ৰশ্নসমূহৰ উত্তৰ লিখা।**

(i) মানব বিকাশ সংজ্ঞাটোৰ দ্বাৰা কি বুজি পাইছা?

(ii) মানব বিকাশৰ ধাৰণাত অন্তৰ্গত হৈ থকা সমদৰ্শন আৰু ধাৰণক্ষমতাই কি বুজায়?

## আঁচনি / কৰ্ম

- দহখন আটাইতকৈ বেছি দূনীৰ্তিগ্ৰস্ত দেশ আৰু দহখন কম দূনীৰ্তি থকা দেশৰ তালিকা প্ৰস্তুত কৰা। মানব বিকাশৰ সূচকত সেইবোৰৰ সাফল্যাংক তুলনা কৰা। তোমালোকে কি ধাৰণা কৰিব পাৰিলা?
- তোমালোকে মানব বিকাশৰ ওপৰত যুগুটোৰা আটাইতকৈ নতুন তথ্য সমূহৰ বিষয়ে আলোচনা কৰা।

———